তালব্য মূৰ্দ্ধৰ পৰা দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ হোৱাত
তিব্বত বৰ্মী ভাষাৰ প্ৰভাৱ বুলি অনুমান কৰা হৈছে। কিছুমান বৰো, গাৰো আদি লোকে যে ভাষাত তালব্য
ধ্বনি নাই। প্ৰাচীন তাম্ৰফলকৰ ৰজা সকলৰ তাম্ৰ-
ফলিত জ, ঝৰ পাৰ্থক্য ঠিকমতে নৰখাৰ যথেষ্ট ভাবে
ব্যৱহাৰ কৰাৰ পৰা অনুমান কৰিব পাৰি যে আৰ্য
ভাষাই প্ৰাচীন কামৰূপত বৈশিষ্ট্যপূৰ্ণভাৱে আত্মপ্ৰকাশ
কৰাৰ পূৰ্বৰ পৰাই এই বৈশিষ্ট্যমূলক উচ্চাৰণে
গা কৰি উঠিছিল।

২। সংস্কৃতৰ দন্ত্য আৰু মূৰ্দ্ধন্য ধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য
অসমীয়াত নাই। এই দুই প্ৰকাৰ ধ্বনি দন্তমূলীয়
হিচাপেহে উচ্চাৰিত হয়। অসমীয়াৰ এই বৈশিষ্ট্য
মূলক উচ্চাৰণত তিব্বতবৰ্মী অনাৰ্য ভাষা সমূহৰ
প্ৰভাৱ আছে বুলি ভাষাতাত্ত্বিক সকলে স্বীকাৰ কৰিছে।
বৰো, ডিমাছা, গাৰো, চুতীয়া আদি ভাষা বোৰৰ
ধ্বনি তুলনামূলক ভাবে বিশ্লেষণ কৰি দেখিবলৈ পোৱা
গৈছে যে এই ভাষা সমূহত দন্ত্য বা মূৰ্দ্ধন্য ধ্বনিৰ
সলনি দন্তমূলীয় ধ্বনিহে আছে।

৩। বৈয়াকৰণিক লিংগ প্ৰকৰণৰ ঠাইত বিশেষ বিশেষ
শব্দ প্ৰয়োগ কৰি অথবা বিশেষ্যৰ আগত পুৰুষ আৰু
স্ত্ৰী নিৰ্দেশক শব্দৰ প্ৰয়োগ কৰি অসমীয়াত লিংগ
নিৰূপণৰ যি ৰীতি লক্ষ্য কৰা যায় সিও তিব্বতবৰ্মী
ভাষাৰ প্ৰভাৱৰ ফল। অসমীয়া স্ত্ৰীলিংগ নিৰ্দেশক
'ৰী' প্ৰত্যয়ক বৰোৰ স্ত্ৰী প্ৰত্যয় 'জী'ৰ লগত সম্বন্ধ
~~আছে~~ স্থাপন কৰিব পাৰি। বৰো ভাষাত বিশেষ্যৰ
পিছত 'জী' প্ৰত্যয় যোগ কৰি স্ত্ৰীলিংগ কৰা হয়।
যেনে — চোনাৰাম — চোনাজী। পুৰুষ বুজাবলৈ